# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-02-2026

**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসম আগমন।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওদালগুৰিত ৰঙিয়া-ৰাঙাপাৰা ৰে'লপথৰ উৰণ সেতুৰ লগতে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা।

৪। মা কামাখ্যা এক্সেছ্ কৰিড'ৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক উচ্চ ন্যায়ালয়ৰ সেউজ সংকেত। *আৰু*

৫। আজি বিশ্ব ৰেডিঅ' দিৱস। গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত আকাশবাণী গুৱাহাটীৰ বিশেষ অনুষ্ঠান।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। শ্ৰী মোদীয়ে প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ্ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণ কৌশল প্ৰদৰ্শন কৰিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কাইলৈ লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰিত ৰঙিয়া-ৰাঙাপাৰা ৰে'লপথৰ ওপৰত নিৰ্মাণ হ'বলগীয়া উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰে। ৬৪ কোটি টকা ব্যয় হ'বলগীয়া এই উৰণ সেতুৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে তীব্ৰ যান-যঁটৰ পৰা ৰাইজে সকাহ লাভ কৰিব। তেওঁ সাপকাটিৰ ২৫ বিঘা মাটিত ১৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া বি টি চিৰ মিনি সচিবালয়ৰো আধাৰশিলা স্থাপন কৰে। জিলাখনৰ কলাইগাঁও ৰণথলী ষ্টেডিয়ামত অনুষ্ঠিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ২৬ হাজাৰ ৯৮৮গৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। ইয়াৰ উপৰি জিলাখনৰ টংলা নগৰত ৩৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ কৰা দুটা পানী যোগান প্ৰকল্প আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি চি অঞ্চলৰ জনসাধাৰণক

শুভেচ্ছা জনোৱাৰ লগতে  নিৰ্বাচনী অধিসূচনা জাৰি সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়–

**-ৰাইট-(চি এম)**

অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, চৰণ বড়ো, বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী, উপ-কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীকে ধৰি বি টি চিৰ ভালেসংখ্যক নেতা তথা সদস্য উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম প্ৰকাশ কৰে। টিংখাঙত মন্ত্ৰী বিমল বৰাই সংবাদমেলযোগে ২০২০-২১ বৰ্ষত ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ ঘোষণা কৰে। নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাত (বেলকনিত ভগৱান ছবিখনক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰে **শব্দ নিশব্দ কʼলাহল** ছবিখনে। ধনজিৎ দাসে ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শংকু ৰাজকোঁৱৰ আৰু জুবলি বৰুৱাই ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা লাভ কৰে। ৰাজদ্বীপে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা হৰিশ খান্না আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা মন্দাকিনী গোস্বামীয়ে লাভ কৰে। অহা ২৫ ফেব্ৰুৱাৰীত কলাক্ষেত্ৰত অনুষ্ঠিত গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হʼব বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদমেলত অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ উপস্থিত থাকে।

বাইট - বিমল বৰা

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পি এম ডিভাইন আঁচনিৰ অধীনত মা কামাখ্যা এক্সেছ কৰিডৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক সেউজ সংকেত প্ৰদান কৰিছে। এই এক্সেছ কৰিডৰ নিৰ্মাণৰ ফলত মা কামাখ্যা মন্দিৰৰ লগতে ভিতৰৰ জলধাৰাত প্ৰভাৱ নেপেলাই বুলি আশ্বাস প্ৰদানৰ পাছতে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ডপীঠে ৰাজ্য চৰকাৰে যাৱতীয় নিৰ্মাণ কাৰ্য চলাই যাব পাৰিব বুলি নিৰ্দেশ প্ৰদান কৰে। উল্লেখযোগ্য যে এই কৰিডৰ নিৰ্মাণৰ ফলত মা কামাখ্যা মন্দিৰ আৰু দশ মহাবিদ্যা মন্দিৰৰ পুৰণি গাঁথনি আৰু মন্দিৰৰ ভিতৰৰ জলধাৰাৰ প্ৰভাৱ পৰাৰ আশংকাৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন আৰু এখন লেখ আবেদন দাখিল কৰা হৈছিল। এই আবেদনসমূহৰ শুনানিকালত ৰাজ্য চৰকাৰৰ মহাঅধিবক্তা দেৱজিৎ শইকীয়াই আই আই টি গুৱাহাটীয়ে অনুমোদন জনোৱা নক্সা আৰু আৰ্হিৰ ভিত্তিত এই কৰিডৰ প্ৰকল্প নিৰ্মাণ হʼব বুলি আদালতক অৱগত কৰে। কৰিডৰ নিৰ্মাণ প্ৰসংগত ৰুৰকিৰ নেছনেল ইনষ্টিটিউট অৱ হাইড্ৰলজিয়ে ভূতাত্ত্বিক আৰু জলতত্ব সন্দৰ্ভত পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনত প্ৰকল্পটো নিৰ্মাণযোগ্য আৰু কোনো ক্ষতিকাৰক বিষয় নাই বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে। চৰকাৰে দাখিল কৰা এনে তথ্যৰ পিছতে উচ্চ ন্যায়ালয়ে মা কামাখ্যা এক্সেছ কৰিডৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক অনুমতি প্ৰদান কৰে। অৱশ্যে, নিৰ্দেশনাত ন্যায়ালয়ে প্ৰকল্প নিৰ্মাণত বিসংগতি প্ৰত্যক্ষ কৰিলে আবেদনকাৰী পক্ষসমূহ পুনৰ ন্যায়ালয়ৰ দাৰস্থ হʼব বুলি স্পষ্টকৈ প্ৰকাশ কৰে।

০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ সংক্ৰান্তত আজি কামৰূপ জিলা আৰু ছেছন আদালতত শুনানি সম্পন্ন হয়। আদালতে মূল ৩ অভিযুক্ত ক্ৰমে, শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰে। উভয় পক্ষৰ যুক্তি শুনি আদালতে অভিযুক্তৰ আবেদন সন্দৰ্ভত অহা ১৬ ফেব্ৰুৱাৰীত ৰায়দানৰ দিন ধাৰ্য কৰে। আজি শুনানি প্ৰক্ৰিয়াত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, ভগ্নী পামি বৰঠাকুৰ উপস্থিত থাকে। গৰিমা শইকীয়া গাৰ্গ আৰু পামি বৰঠাকুৰে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ আহ্বান জনায়।

শুনানি সন্দৰ্ভত গৰিমা গাৰ্গ শইকীয়াই এনেদৰে কয়ঃ

বাইট-গৰিমা

০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- **কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'**।

বিশ্ব ৰেডিঅ' দিৱসৰ সৈতে সংগতি ৰাখি আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত **ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা** শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড° ৰূপম ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি কয়, যে ৰেডিঅ'ত অনুষ্ঠান প্ৰচাৰণ অধিক আকৰ্ষণীয় কৰি তোলাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰিব পাৰি। কিন্তু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ জৰিয়তে যাতে কোনোৰে কৰ্ম সংস্থাপন হেৰুৱাবলগীয়া নহয় সেই বিষয়তো গুৰুত্ব আৰোপ কৰা উচিত বুলি অধ্যাপক ভট্টাচাৰ্যই প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত মুকলি কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক এই অনুষ্ঠানতে পুৰস্কাৰ প্ৰদান কৰা হয়। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীত কেন্দ্ৰটোৰ কেইবাগৰাকীও ঘোষক-ঘোষিকাই গীত পৰিবেশন কৰে।

দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজিৰে পৰাই পডকাষ্ট আৰম্ভ কৰিছে। আজিৰ পডকাষ্টত কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই অংশ লয়।

বিশ্ব ৰেডিঅ' দিৱসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জনায়। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰেডিঅ'ৰ সৈতে শৈশৱৰ পৰা থকা তেওঁৰ স্মৃতি ৰোমন্থন কৰে।

ইপিনে, বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে আজি যোৰহাটৰ অসম মহিলা বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ শিক্ষাৰ্থীসকলে আকাশবাণী যোৰহাট কেন্দ্ৰ পৰিদৰ্শন কৰে। কেন্দ্ৰটোৰ অনুষ্ঠান বিভাগৰ মুৰব্বী বিশ্বজিৎ দাসে বিশ্ববিদ্যালয়খনৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে তেওঁ বিশ্ব ৰেডিঅ' দিৱস আৰু কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত শিক্ষাৰ্থীসকলক অৱগত কৰে। ইয়াৰ পৰৱৰ্তী সময়ত শিক্ষাৰ্থীসকলে কেন্দ্ৰটোৰ অনুষ্ঠান কাৰ্যবাহী খুৰচিদ আলমৰ সৈতে বাৰ্তালাপত অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলাতো আজি বিশ্ব ৰেডিঅ' দিৱস পালন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ সামূহিক অনাতাঁৰ কেন্দ্ৰ ৰেডিঅ' গোৱালপাৰা ৮৯দশমিক ৬ এফ এমৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত বিশ্ব ৰেডিঅ' দিৱসৰ অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সুভাষ বৰ্মনে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থী উপস্থিত থকা এই অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে গণ সংযোগৰ মাধ্যম হিচাপে ৰেডিঅ'ই গ্ৰহণ কৰা ঐতিহাসিক ভূমিকাৰ কথা উল্লেখ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ধেমাজী মহাবিদ্যালয়ত শিশু শিক্ষা আৰু উৎকৰ্ষ সাধন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম দৰ্শন আঁচনিৰ অধীনত উপাসনা স্থলীসমূহলৈ চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত ধেমাজী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫০ টা উপাসনাস্থলীলৈ আন্তঃগাথনি উন্নয়নৰ লক্ষ্যৰে চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত উপাসনাস্থলীলৈ প্ৰথম কিস্তিৰ ধন হিচাপে ডেৰ লাখ টডডকা আগবঢ়োৱা হৈছে। লগতে মন্ত্ৰী পেগুৱে ধেমাজীত শলখবাৰী জনজাতীয় আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ধৰ্তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত প্ৰায় ৩ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা ল'ৰা আৰু ছোৱালীৰ বাবে মুঠ এশখন বিচনাযুক্ত দুটা পৃথক আৱাস উদ্বোধন কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী

বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

**সমাপ্ত**